**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৪৫/২০১৯**

**শোণিতপুৰ জিলা পৰিষদৰ উদ্যোগত গ্ৰামাঞ্চলৰ আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনাৰ ওপৰত এদিনীয়া কৰ্মশালা**

**তেজপুৰ, ২৭ ডিচেম্বৰ :** শোণিতপুৰ জিলা পৰিষদৰ উদ্যোগত গ্ৰামাঞ্চলৰ আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনাৰ ওপৰত আজি জিলা পৰিষদ কাৰ্যালয়ৰ সভাকক্ষত এখন এদিনীয়া সজাগতা কৰ্মশালা আয়োজন কৰা হয় । জিলা উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে উদ্বোধন কৰা আজিৰ কৰ্মশালাত অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মা, তেজপুৰ পৌৰ সভাৰ পৌৰপতি পুষ্পা ডেকা, জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিন, খণ্ড উন্নয়ন বিষয়া, পঞ্চায়ত প্ৰতিনিধিসকল আৰু সংশ্লিষ্ট বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে । আজিৰ কৰ্মশালাত গোটা আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা নীতি ২০১৬, প্লাষ্টিক আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা নীতি ২০১৬ আৰু বায়'-মেডিকেল আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা নীতি ২০১৬ৰ বিতংভাৱে আলোচনা কৰা হয় ।

সভাৰ আৰম্ভণিতে শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্যই আদৰণি ভাষণ আগবঢ়ায় আৰু অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰে ।

সভাত উদ্বোধনী ভাষণ প্ৰদান কৰি উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে নিজৰ ঘৰ, চৌহদৰ লগতে নিজৰ চুবুৰীও পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে । লগতে নগৰ এলেকাৰ উপৰিও গ্ৰামাঞ্চলতো বৈজ্ঞানিক পদ্ধতিৰে আৱৰ্জনা নিষ্কাশনৰ বাবে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সভাত উপস্থিত সকলোকে উপায়ুক্ত গৰাকীয়ে অৱগত কৰে । আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনাৰ বাবে চৰকাৰে ইতিমধ্যে প্ৰবৰ্তন কৰা বিভন্ন নীতি সমূহ উপস্থিত পঞ্চায়ত প্ৰতিনিধিসকলক তেওঁলোকৰ নিজ নিজ এলেকাত কঠুৰভাৱে কাৰ্যকৰী কৰিবলৈ আৰু সাধাৰণ ৰাইজৰ মাজত এই বিষয়ে সজাগতা সৃষ্টি কৰি এই দিশত আগবঢ়ি যাবলৈ উপায়ুক্ত গৰাকীয়ে আহবান জনায় ।

আজিৰ কৰ্মশালাত গোটা আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা নীতি ২০১৬, প্লাষ্টিক আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা নীতি ২০১৬ আৰু বায়'-মেডিকেল আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা নীতি ২০১৬ৰ ওপৰত প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, জনস্বাস্থ্য কাৰিকৰী আৰু স্বাস্থ্য বিভাগৰ ফালৰ পৰা পাৱাৰপইন্ট প্ৰেজেন্টেশ্যন যোগে বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয় ।